Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১২

লোকসংস্কৃতি

অংশ - ২

প্ৰণীতা শৰ্মা বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যেনে:

(ক) লোক বা মৌখিক কবিতা বা বাচিক কবিতা বা লোকগীত;

(খ) গদ্যধর্মী লোককথা;

(গ) প্রবচন, বচন, লোকোক্তি, যোজনা, পটন্তৰ;

(ঘ) সাঁথৰ, আৰু

(ঙ) লোকভাষা।

লোক বা মৌখিক কবিতা বা বাচিক কবিতা আৰু লোকগীত কেইটিমান উপশ্রেণীত বিভক্ত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যেনে —

লোককবিতা বা লোকগীত : মালিতা বা কাহিনীগীত, ধর্মীয় গীত, প্রণয়গীত, কর্মগীত, উৎসৱ-অনুষ্ঠানৰ গীত বা সংস্কাৰমূলক গীত, কেঁচুৱা ল'ৰা-ছোৱালীক শোৱাবলৈ গোৱা গীত বা নিচুকনী গীত, শিশুৰ খেল- ধেমালিৰ লগত জড়িত গীত, তত্ত্বপূর্ণ গীত, বিদ্রূপাত্মক গীত ইত্যাদি। **গদ্যধর্মী লোককথাৰ ভিতৰত পৰে :** পুৰাণ-কথা, জনশ্রুতি আৰু সাধুকথা আদি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তলত দুটি-এটি উদাহৰণ দিয়া হ'ল :

১। ধৰ্মীয় গীত —

ধৰ্মীয় প্ৰসংগত গোৱা গীতৰাজিয়েই ধৰ্মীয় গীত।

যেনে —

দিহাঃ অহে গোবিন্দ কি দিবো যাদৱ ৰায়।
অহে ব্ৰহ্মাণ্ডৰ ভিতৰে যত বস্তু আছে সমস্ত তোমাতে পায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পদ : কিবা মই আসন। দিবো নাৰায়ণ। গৰুড়ে যাৰ বাহন। কিবা অলংকাৰে। ৰঞ্জিবো তোমাৰে। কৌস্তভে যাৰ ভূষণ।। হেন জানি হৰি। শৰণ পশিলো। তেজিবাক নুযুৱায়।।

২। চিয়া বা দেহবিচাৰৰ গীত — বৈকুণ্ঠত আছিল দেৱৰ দামে কলা। আহিল ভাৰস্তুত নামি। পূবলৈ আগকৈ পশ্চিমলৈ গুৰিকৈ। মেৰুৰে মূৰতে থপা।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৩। জিকিৰ —


চিন্তো হেৰা মোৰ মন আল্লাৰ নামত। ভজো হেৰা মোৰ মন গুৰুৰ পাৱত।। চোৱা চোৱা জীৱসকল ভেলৰ বিলাই।।

৪। বিহুগীত —

আইৰ ঘৰতে। আছিলো এজনী। ফুলক নুবুলিলো ফুল, কুমলীয়া তামোল। কোঁচ নভৰিলে। থোপাই নধৰিলে ফুল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৫। হুঁচৰিগীত —


দেউতাৰ বৰে ঘৰ।
দেখোতে ভয়ঙ্কৰ।
শৰণ খেৰ মেলিয়ে চায়;
মুগাৰে বটীয়া। ন-শ গাঁঠনি।
সৰিয়হ বাগৰি যায়।

৬। বিয়াগীত —

অ বৰ ঘৰৰ পৰা ওলাই আহা
লগৰী ঐ। অ মাৰাৰ মোহকে
ছাৰি ফুলচনো লগৰী ঐ।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৭। ভাৱাইয়া-ছতকা —

কিসেৰ মোৰ ৰান্ধন, কিসেৰ মোৰ বাঢ়ন।
মোৰ প্ৰাণধন অন্যেৰ বাৰী যায়।

৮। নিচুকনী গীত —

আমাৰে ভাইটি শুব এ।
বাৰীতে বগৰি ৰুব এ,
বাৰীৰে বগৰি পকি সৰিব।
ভাইটিয়ে বুটলি খাব এ।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৯। মালিতা-হাইদাংগীত —

হা-অ-হা-অ-হা-এ-হা-হা
হা-ইয়হ নমো নাৰায়ণ।
হা-ইয়হ পৃথিবী হেনো সৃজইছে।।

১০। মণিৰাম-দেৱানৰ গীত —

অতিকৈ চেনেহৰে। মুগাৰে মহুৰা। অতিকৈ চেনেহৰ মাকো, অতিকৈ চেনেহৰ। মণিৰাম দেৱান। নেকান্দি কেনেকৈ থাকো।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১১। লোক কথা বা সাধুকথা —
শিয়াল আৰু বান্দৰৰ সাধু;
নিগনি আৰু সিংহ, শিয়াল আৰু
হাতী।

১২। প্ৰবচন —
ধনেই ধৰ্মৰ মূল; পখী মৰে ৰৈ,
মানুহ মৰে কৈ; পৰত আশ
বনত বাস।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৩। সাঁথৰ —

গল বা ডিঙি আছে মূৰ নাই।
কাণ আছে, চকু নাই,
পেট আছে হাত নাই মুখ আছে,
জিভা নাই — সেইটো কি কোৱা ভাই।

উত্তৰ : কলহ। ঘটি

লোকজীৱন তিনিটা ভাগত বিভক্ত; যেনে —(ক) সামাজিক আচাৰ-অনুষ্ঠান, (খ) ভৌতিক বা বস্তুসংস্কৃতি আৰু (গ) পৰিৱেশ্য কলা।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ক) সামাজিক আচাৰ-অনুষ্ঠান —

↳ মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰস্পৰাগত জীৱন। পৰস্পৰাগত জীৱন, মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। সমাজ আৰু পৰিয়ালৰ মাজত অনুষ্ঠিত কৃষি বা খেতি-বাতি, জন্ম-বিবাহ মৃত্যু আদি বিষয়ক ৰীতি-নীতি, আচাৰ-ব্যৱস্থা- অনুষ্ঠান আদিয়েই সামাজিক আচাৰ-অনুষ্ঠান।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



↳ এইবোৰ প্ৰধানভাৱে লোকবিশ্বাসৰ সৈতে জড়িত। সামাজিক আচাৰ-অনুষ্ঠান চাৰিটা ভাগত বিভক্ত। যেনে ১ উৎসৱ-অনুষ্ঠান, ২ অৱসৰ-বিনোদন আৰু ৩ খেল-ধেমালি, ৪ লোকঔষধ আৰু লোকধৰ্ম।

(খ) ভৌতিক বা বস্তুসংস্কৃতি —

↳ ভৌতিক বা বস্তুসংস্কৃতি হ'ল লোকসংস্কৃতিৰ দৃশ্যমান দিশ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সমল নিৰ্মাণ, নাইবা খোৱা-লোৱা বস্তু সামগ্ৰী আদিৰ ৰন্ধা-বঢ়া, প্ৰস্তুতি আদিয়েই ভৌতিকসংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী।

↳ ভৌতিক সংস্কৃতিৰ উপ-বিভাগকেইটি হৈছে: ১ লোককলা, ২ লোকশিল্প, ৩ লোক-স্থপতিকলা, ৪ লোকআভৰণ আৰু ৫ লোকৰন্ধন প্ৰণালী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(গ) লোকপৰিৱেশ্য কলা —

↳ লোকজীৱনৰ শেষভাগটো হৈছে-লোক পৰিৱেশ্য কলা। পৰম্পৰাগত সংগীত, নৃত্য-নাচ আৰু নাট- আদিয়েই লোক পৰিৱেশ্য কলাৰ উপাদান।

↳ কোনো এটা সাধুকথা কোৱা অথবা লোকগীতি গোৱাকে পৰিৱেশন কৰা বোলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এনে ধৰণৰ পৰিৱেশন পদ্ধতি এজন বা কেইবাজনো লোকে লোক বাদ্য-যন্ত্ৰ, নৃত্যৰ পোছাক-পৰিচ্ছদ আৰু দৃশ্য-বিৰৱণীৰ সৈতে ৰূপায়ণ কৰা পদ্ধতিৰ তুলনাত আকস্মিক ধৰণৰ। পৰিৱেশ্য কলাৰ পৰিসৰে গীত, নৃত্ত-নৃত্য, নাটক, বাদ্যযন্ত্ৰ আদিক সামৰে। লোকনাট হ'ল গীত আৰু নৃত্যৰ সমষ্টি। সংলাপৰ তুলনাত লোকনাটত গীত আৰু নৃত্যৰ গুৰুত্ব বেছি। আমি লোক-সংস্কৃতিৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিষয়ে কিছু কথা জানিলোঁ। আমি আৰু এটা কথা জানি থোৱা উচিত হ'ব যে, সমাজৰ পৰিবর্তনৰ লগে লগে লোক-সংস্কৃতিৰো পৰিৱর্তন ঘটে। পৰিৱর্তিত সমাজত লোক-সংস্কৃতিয়ে দ্বিতীয় অস্তিত্বত জীয়াই থাকে।

বিহু-গীত, হুঁচৰি গীত, জাৰীগীত আদিয়ে লিখিত ৰূপ পাইছে। তেনেদৰে আমাৰ আই-আইতাৰ মুখে মুখে চলি অহা সাধুকথাসমূহেও দ্বিতীয় ৰূপ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাইছে। যেনে লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদন কৰা 'বুঢ়ী আইৰ সাধু'। তেনে দৰে ডঁ ভূপেন হাজৰিকা দেৱে গোৱা

—

অ' মাই যশোৱা হে' মাইহে যশোৱা

আমাক লাগিয়া অলপ তোৰ মৰম নাই।।

— এই গীতটিক তেওঁ পোনতে লিখিত ৰূপ দিছে, তাৰ পিছতে গাইছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এইদৰে চালে দেখা যায় যে লোক-সংস্কৃতিৰ উপাদানৰাজি যুগে যুগে মুখপৰম্পৰাত প্ৰচলিত হৈ বা শিক্ষিত লোকৰ হাতত পৰি আধুনিক ৰূপ লৈ যুগসাপেক্ষ বা সময়সাপেক্ষ স্থিতি লাভ কৰে। তেনে অৱস্থাতো লোক-সংস্কৃতিয়ে নিজৰ স্বৰূপ নেহেৰুৱায়। সেইকাৰণে ক'ব পাৰি লোকসংস্কৃতি পুৰণি হৈও নতুন, নতুন হৈও পুৰণি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দাৰ্থ আৰু টোকা

অংগীভূত : অংগ হিচাপে পৰিগণিত।

আচৰণ : ব্যৱহাৰ, চাল-চলন।

অশৰীৰী : শৰীৰবিহীন।

আবু : আইতা।

পীৰিয়ে-পীৰিয়ে : এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ।

লোককৃতি : সমাজত প্ৰচলিত কাম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



উত্তৰণেই : উন্নতিয়েই।

পৰম্পৰাগত : প্রজন্মৰ পৰা প্রজন্মলৈ।

সমল : দ্রব্য, বয়-বস্তু।

জাতক : বুদ্ধদেৱৰ পূর্বজন্মৰ কাহিনীৰে পৰিপূর্ণ এখন ধর্মীয় পুথি। এই পুথিখন পালি ভাষাত ৰচিত।

পষ : পোন্ধৰ দিনৰ সময়সীমা, পষেক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

লোকসংস্কৃতি অবিহনে কোনো সমাজেই উন্নতি সাধন কৰিব নোৱাৰে। সমাজত জীয়াই থাকিবলৈ মানুহে কিছুমান কাম সম্পাদন কৰিব লগা হয়। সমাজভেদে এই কামো ভিন্ ভিন্। সভা-সমিতি, উৎসৱ- পার্বণ আদি উপভোগ কৰি মানুহে জীয়াই থকাৰ প্ৰেৰণা লাভ কৰে। মানুহে সম্পাদন কৰা এই সকলোবোৰকে

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কৃষ্টি আৰু ইয়াৰ উত্তৰণকে সংস্কৃতি বোলা হয়। আজিৰ সমাজত মানুহে যান্ত্রিক জীৱনৰ ব্যস্ততাৰ বাবে নিজৰ নিজৰ কৃষ্টি-সংস্কৃতিক পাহৰি যাবলৈ ধৰিছে। ই সমাজ আৰু সভ্যতাৰ বাবে ভাল লক্ষণ নহয়। সেয়েহে এই পাঠটিৰ জৰিয়তে উঠি অহা প্রজন্মক নিজৰ নিজৰ কৃষ্টি-সংস্কৃতিৰ প্রতি সজাগ কৰি তুলিব পৰা যাব বুলি আশা কৰা হৈছে। সংস্কৃতিনো কি তাক উপলব্ধি কৰি এটি সুৰুচিসম্পন্ন জীৱন কটাবলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ছাত্ৰ-ছাত্ৰীসকলে যাতে প্ৰেৰণা লাভ কৰে এই পাঠটিৰ জৰিয়তে তাৰেই চেষ্টা কৰা হৈছে।



Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। খালী ঠাই পূৰণ কৰা

(ক) সামাজিক আচাৰ-ব্যৱহাৰ..... বাচনিক কলাৰ অন্যতম ভাগ

(খ) ..... লোকবাক্য হ'ল সমাজত প্রচলিত কাম গাঁৰলীয়া, পিহ, ৰোগ, কাৰ, ব্যক্তি

২। সমার্থক শব্দ লিখা...

(ক) গঞা, পিতা, বেমাৰ, চহৰ, লোক